জাতিৰ আৱেগ    সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...দশ বছৰ, সংখ্যা ৩১০ ● মঙলবাৰ ● ১৫ শাওণ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Tuesday August 1, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটী...

উপস্থিত থাকে লেখক অতুল চন্দ্ৰ শৰ্মাই সাহিত্যৰ বিভিন্ন দিশ সাঙুৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্জ্বলন কৰাৰ পাছতে ড° ইনু মহন্ত কলিতাৰ ৰচিত কামিনী কুমাৰ গোহাঁইৰ দ্বাৰা পৰিচালনাত শাখাৰ গীত সদস্যাসকলে পৰিৱেশন কৰে। শাখাৰ সভানেত্ৰী জ্যোতিৰ্ময়ী বৰঠাকুৰে আদৰণী ভাষণ আগবঢ়ায়। শিল্পী ইন্দিৰা গগৈ গোহাঁই আৰু কামিনী কুমাৰ গোহাঁয়ে অম্বিকাগিৰী ৰায়চৌধাৰীৰ ৰচিত দ্বৈত সংগীত এটা পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। সভাত কাবেৰী শৰ্মা, ৰুণু শৰ্মা, চম্পা শৰ্মা, মঞ্জুৰি শৰ্মা ফুকন, ছায়া ৰাণী নেওগ, বন্দিতা নেওগ গোহাঁই, লক্ষ্মীপ্ৰিয়া বৰঠাকুৰ, চানু শৰ্মা, শেৱালি বৰা, তিলোত্তমা বৰা আদি উপস্থিত আছিল।

## অৱসৰী শিক্ষক-শিক্ষয়িত্ৰীক পেঞ্চন সংক্ৰান্তীয় নথি প্ৰদান

## একেদিনাই ড° শশীকান্ত শইকীয়াৰ দুখনকৈ গ্ৰন্থ উন্মোচন

## 'সংখ্যাৰ ধাৰণাইহে গুণ নিৰূপণ কৰে' ঃ উপাচাৰ্য ড° হাজৰিকা

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ ৩১ জুলাই ঃ 'সংখ্যাৰ ধাৰণাইহে গুণ নিৰূপণ কৰে। সংখ্যাৰ হিচাপ অবিহনে কোনো বস্তুৰে গুণ নিৰূপণ কৰিব পৰা নাযায়।' ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত ড° শশীকান্ত শইকীয়াৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই আজি এইদৰে কয়। উপাচাৰ্যগৰাকীয়ে অধ্যক্ষ ড° শইকীয়াই নিৰলসভাৱে যি সাহিত্য চৰ্চা কৰি আহিছে তাৰ ফলতে আজি তেওঁ ৩০খনকৈ গ্ৰন্থ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰি কয় গ্ৰন্থ প্ৰকাশৰ এই সংখ্যাই তেওঁৰ সাহিত্য চৰ্চাৰ গুণ পোহৰাই তুলিবলৈ সক্ষম হৈছে। তেওঁ কয় — সমাজ তথা দেশৰ উন্নতিৰ ধাৰা অব্যাহত ৰাখিবলৈ হ'লে প্ৰথমে নিজৰ পৰিয়ালৰ চিন্তা তাৰ পাছত জিলাৰ চিন্তা, ৰাজ্যৰ চিন্তা তথা দেশৰ চিন্তা কৰিলেহে প্ৰকৃত উন্নতি লাভ কৰিব পাৰি। অনুষ্ঠানটোতে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জে পি বাৰ্মাই গ্ৰন্থ উন্মোচন কৰি কয় জীৱনৰ সিদ্ধান্ত ল'ব পৰাটো এটা ডাঙৰ গুণ। এটা সঠিক সিদ্ধান্তই জীৱন সলনি কৰিব পাৰে। একাগ্ৰতাৰে সঠিক সিদ্ধান্ত লৈ নিজ কৰ্ম কৰি গ'লে জীৱনত সফলতা লাভ কৰিব পাৰি। তেওঁ কয় —অধ্যক্ষ ড° শইকীয়াই সমাজৰ হকে যি কৰ্ম কৰি গৈছে সেই কৰ্ম সমাজৰ প্ৰতিজন ব্যক্তিয়ে মনত ৰখা উচিত। তেওঁ অধ্যক্ষগৰাকীৰ গ্ৰন্থ প্ৰকাশৰ এই ধাৰাক সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অনাগত দিনত আৰু অধিক গ্ৰন্থ লাভ কৰাৰ আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অব্ ফেকাল্টি অব্ ছায়েন্স তথা প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী যোগেন চন্দ্ৰ কলিতাই কয়—এটা অনুষ্ঠান পৰিচালনা কৰাৰ ক্ষেত্ৰত নেতৃত্বই মূল বস্তু। সফল নেতৃত্ব অবিহনে কোনো অনুষ্ঠানেই উন্নতি লাভ কৰিব নোৱাৰে। তেওঁ অধ্যক্ষ শশীকান্ত শইকীয়াই অধ্যক্ষৰ দৰে এক গুৰু দায়িত্ব পালন কৰাৰ উপৰি ১ জুলাই দিনটো তেওঁৰ ওপজা দিনৰ লগত সংগতি ৰাখি প্ৰতিবছৰে যি গ্ৰন্থ প্ৰকাশৰ ধাৰা অব্যাহত ৰাখিছে তাৰ বাবে অধ্যক্ষগৰাকীক ওপজা দিনৰ ওলগ জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে। বিশিষ্ট শিল্পী জিত্তি গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা অভিমন্যু বৰুৱাই কয়— মৃত্যুৰ পাছত মানুহক সকলোৱে পাহৰি যায়, কিন্তু মানুহজনে কৰি যোৱা কৰ্মক কেতিয়াও পাহৰি নাযায়। নিজৰ কৰ্মৰ জৰিয়তে মানুহ সদায় সমাজত জীয়াই থাকিব পাৰে। বিশিষ্ট শিল্পী চন্দনা শৰ্মাৰ বেহেলা বাদনেৰে সকলোকে আপ্লুত কৰা অনুষ্ঠানটোত ডিব্ৰুগড় জিলা উন্নয়ন বিষয়া জিতু দাসে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত সাহিত্য চৰ্চাৰ যি ধাৰা অব্যাহত ৰাখিছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

## আম্বেদকাৰ ফাউণ্ডেশনৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

## ডিগবৈ... উদ্যোগত...

ডিগবৈ ঃ নিজা প্ৰতিবেদক, ৩১... সমাজ, ডিগবৈৰ দ্বাৰা পৰিচা... বিদ্যালয়ৰ উদ্যোগত আয়োজিত... নৃত্যৰ কৰ্মশালাৰ কালি সাম... জুলাইলৈ অনুষ্ঠিত কৰ্মশালাৰ প্ৰ... থাকি পৰিচালনা কৰে সত্ৰীয়া নৃ... কৃষ্ণা তামুলী দত্তই। কৰ্মশালাত... অঞ্চলৰ ৩০গৰাকী প্ৰশিক্ষাৰ্থীয়ে... সন্ধিয়া কৰ্মশালাৰ সামৰণী অনুষ্ঠা... জগতৰ দুগৰাকী পুৰোধা ব্যক্তি ম... ৰসেশ্বৰ শইকীয়া বৰবায়ন সোঁৱ... অনুষ্ঠিত হয়। দুয়োগৰাকীৰ প্ৰ... প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান...

